জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬৪/২০২০

# পঞ্চম নৰ্থ ইষ্ট গ্ৰীণ ছামিট উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভিবজিউৰ এন.ই. ফাউণ্ডেশ্যনে আই আই টি, গুৱাহাটী আৰু ইউ এন এনভাইৰ'নমেন্টৰ সহযোগত আই আই টি, গুৱাহাটীত আয়োজন কৰা পঞ্চম নৰ্থ ইষ্ট গ্ৰীণ ছামিট আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্য চৰকাৰে পৰিৱেশ সংৰক্ষণৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ আলোকপাত কৰি কয় যে পাৰিপাৰ্শ্বিক ভাৰসাম্য বিনষ্ট কৰি অৰ্থনৈতিক উন্নয়ন গঢ়ি উঠিব নোৱাৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সমগ্ৰ ৰাজ্যখনত ১০ কোটি বৃক্ষ ৰোপনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি এই পদক্ষেপে ৰাজ্যখনৰ পৰিৱেশ সন্তুলন অটুট ৰখাৰ দিশত বিশেষ বৰঙনি যোগাব বুলি তেওঁ কয়। এই ১০ কোটি বৃক্ষ ৰোপনৰ পদক্ষেপ গ্ৰহণ কৰি ইতিমধ্যে ৮ কোটি বৃক্ষ ৰোপন কাৰ্য সম্পূৰ্ণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

পৰিৱেশ সংৰক্ষণৰ দিশত নৰ্থ ইষ্ট গ্ৰীণ ছামিটৰ লেখীয়া মঞ্চৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই ছামিটত অংশ গ্ৰহণ কৰা নীতি প্ৰণয়নকাৰী, পৰিৱেশৰ ওপৰত কাম কৰা স্বেচ্ছাসেৱী অনুষ্ঠান, গৱেষক, শিক্ষাবিদ, ৰাজনীতিবিদসকলক পৰিৱেশৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনা-বিলোচনা অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনায় যাতে পাৰিপাৰ্শ্বিক সংৰক্ষণৰ দিশত ফলপ্ৰসূ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত এক বিস্তৃত পৰিকল্পনা ল'ব পৰা যায়। ক'ভিড-১৯ অতিমাৰীয়ে প্ৰকৃতিৰ সন্তুলন কিয় অটুট ৰাখিব লাগে সেইকথা আমাক ভালদৰে অৱগত হোৱাৰ বাবে সুবিধা প্ৰদান কৰিছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত সময়-সাপেক্ষ পদক্ষেপ লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক দেশৰ জৈৱিক হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ লেখীয়া আঁচনিৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। এই আঁচনিৰ জৰিয়তে দুখীয়া গৃহিনীলৈ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ যোগান ধৰাৰ জৰিয়তে তেওঁলোকৰ কষ্ট বহুলাংশে লাঘৱ হোৱাৰ উপৰি ৰন্ধাৰ বাবে কাঠখৰিৰ প্ৰয়োগ হ্ৰাস কৰি নিৰ্বনানীকৰণ বহুলাংশে হ্ৰাস হৈছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কৃষিখণ্ডত ৰাজ্য চৰকাৰে ইজৰাইলৰ সহযোগিতাত অলপতে আৰম্ভ কৰা প্ৰকল্পৰ বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰাকৃতিক জলসম্পদৰ সম্ভাৱনীয়তাৰ প্ৰযুক্তিগত সমাধান সূত্ৰ উলিওৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ পাৰিপাৰ্শ্বিক সন্তুলন অটুট ৰাখি ৰাজ্যখনৰ বিকাশত সহায়ক হোৱাকৈ

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ঔদ্যোগিক খণ্ডৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

আই আই টি, গুৱাহাটীৰ সঞ্চালক টি জি সীথাৰামে আদৰণী ভাষণ প্ৰদান কৰা আৰু শিলচৰ লোকসভা সমষ্টিৰ সাংসদ ড° ৰাজদ্বীপ ৰয়ে উদ্দেশ্যে ব্যাখ্যা কৰা আজিৰ এই উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মণিপুৰৰ সাংসদ ৰাজকুমাৰ ৰঞ্জন সিঙে অংশ গ্ৰহণ কৰে।

**স্বাঃডেঃ / বঃভাঃ**
**১৬/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in